
## পাঠ - ১৭
# আমাৰ ৰাজ্যখন আৰু ইয়াৰ জিলাসমূহ

F4Z6R4




আমাৰ ৰাজ্যখনৰ নাম অসম। ভাৰতৰ উত্তৰ-পূব দিশত অসম ৰাজ্য অৱস্থিত। বৰ্তমান আমাৰ অসমৰ ৰাজধানী দিছপুৰ। অসম ৰাজ্যৰ উত্তৰে ভূটান দেশ আৰু অৰুণাচল প্ৰদেশ। পূবে অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মণিপুৰ ৰাজ্য। দক্ষিণে নাগালেণ্ড, মিজোৰাম আৰু মেঘালয় ৰাজ্য। পশ্চিমে পশ্চিমবংগ, মেঘালয় ৰাজ্য, বাংলাদেশ আৰু ত্ৰিপুৰা আছে।


আমাৰ ৰাজ্যখন পুৰণিকালত প্ৰাগ্‌জ্যোতিষ, কামৰূপ আদি নামেৰে জনাজাত আছিল। মহাভাৰত, ৰামায়ণ আদি মহাকাব্যত এই নাম দুটাৰ বিষয়ে লিখা আছে। প্ৰাগজ্যোতিষ ৰাজ্যখনৰ ৰাজধানীৰ নাম আছিল প্ৰাগজ্যোতিষপুৰ, আৰু এয়েই হৈছে বৰ্তমানৰ গুৱাহাটী।

পিছলৈ এই প্ৰাগজ্যোতিষ ৰাজ্য কামৰূপ নামেৰে পৰিচিত হৈছিল । এই কামৰূপ নামটো কেনেকৈ হৈছিল সেই বিষয়ে এটি পুৰণি সাধু কথা আছে। সাধু কথা মতে, এবাৰ এই ঠাইত কামদেৱ নামৰ এজন দেৱতা মহাদেৱৰ অভিশাপত ভস্ম হৈছিল। কিন্তু কামদেৱৰ পত্নী ৰতি দেৱীৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ মহাদেৱে কামদেৱক পুনৰ জীয়াই তুলিলে। অৰ্থাৎ কামদেৱে পুনৰ নিজৰ ৰূপ ঘূৰাই পালে। সেইবাবে তেতিয়াৰ পৰা ঠাইখন কামৰূপ নামেৰে জনাজাত হ'ল।

আমাৰ ৰাজ্যখনৰ বৰ্তমানৰ অসম নামটো কেনেকৈ হ'ল সেইবিষয়েও ভিন ভিন মত পোৱা যায়। কিছুমানৰ মতে আহোমসকল তেৰ শতিকা (খ্ৰীষ্টাব্দ)ত অসমলৈ অহাৰ পিছত আমাৰ ৰাজ্যখন অসম নামেৰে জনাজাত হ'ল। এই সম্পৰ্কে মত আছে যে আহোমসকল মহা পৰাক্ৰমী জাতি আছিল, অৰ্থাৎ তেওঁলোকৰ সমান কোনো নাছিল। তাকে বুজাবলৈ তেওঁলোকে 'অসম' শব্দটো ব্যৱহাৰ কৰিছিল। আন কিছুমানৰ মতে, আমাৰ ৰাজ্যখনৰ উপৰিভাগ পৰ্বত-পাহাৰ, নদ-নদী, সমভূমি আদিৰে অসমান হৈ থকা বাবেও 'অসম' নামেৰে জনাজাত হয় ।

তোমালোকৰ নিজৰ নিজৰ জিলা আৰু অঞ্চলটোৰ নামৰ উৎপত্তিৰ বিষয়েও নানা মত থাকিব পাৰে। সেই বিষয়ে শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা নাইবা অভিজ্ঞ লোকৰ পৰা সুধি জানি ল'বাহঁক।

অতীজৰে পৰা অসমত ভিন ভিন জাতি-জনজাতিৰ লোক বাস কৰি আহিছে। ভাষাৰ ফালৰ পৰা অসমৰ লোকসকলক ঘাইকৈ অসমীয়া, বাংলা, বড়ো-কছাৰী, কাৰ্বি, মিচিং, ৰাভা, গাৰো, ডিমাছা, তিৱা, দেউৰী, মাৰ, কুকী, চাহ জনগোষ্ঠী, মণিপুৰী, নেপালী আৰু হিন্দীভাষী আদি ভাগত ভাগ কৰিব পাৰি। এওঁলোকৰ নিজ নিজ ভাষাৰ উপৰি নিজা নিজা সাজ-পাৰ, ধৰ্ম, উৎসৱ-পাৰ্বণ আৰু ৰীতি-নীতি আছে। এই সকলোবোৰ লোক মিলি বৃহত্তৰ অসমীয়া জাতি গঠন হৈছে।




➢ তোমালোকৰ অঞ্চলত কি কি ভাষা কোৱা লোক আছে লিখা।

....................................................................................................

....................................................................................................

# অসমৰ মানচিত্ৰ




➤ অসমৰ মানচিত্ৰখন চাই নিজৰ জিলাখন বিচাৰি উলিওৱা আৰু জিলাখনত '✓' শুদ্ধ চিন দিয়া—

মানচিত্ৰ এখনত পৰ্বত-পাহাৰ, নদ-নদী, সীমা, কোনো ঠাই, ঘৰ-দুৱাৰ, খেতি-বাতি আদি বুজাবলৈ কিছুমান চিন ব্যৱহাৰ কৰা হয়। এই চিনবোৰেই হৈছে **সাংকেতিক চিহ্ন**।

> মানচিত্ৰৰ কাষত দিয়া এই সাংকেতিক চিহ্নৰ সহায়ত বিচাৰি উলিয়াই লিখা—

- অসম ৰাজ্যৰ ৰাজধানীৰ নাম ..............................................................................
- তোমাৰ জিলাৰ সদৰ ঠাইখনৰ নাম .......................................................................
- জিলাখনৰ চাৰিসীমা ..............................................................................................

উত্তৰ : ..............................................................................................................

......................................................................................................................

দক্ষিণ : ...........................................................................................................

......................................................................................................................

পূব : ................................................................................................................

......................................................................................................................

পশ্চিম ..............................................................................................................

......................................................................................................................

**জানি লওঁ আহা—**

- অসমৰ প্ৰধান নৈ দুখন হ'ল— ব্ৰহ্মপুত্ৰ আৰু বৰাক।
- এই নৈ দুখনৰ দুয়োফালৰ পৰা ভালেমান সৰু সৰু নৈ আহি প্ৰধান নৈ দুখনত পৰিছে। সেইবোৰ উপনৈ।
- অসমৰ কেতবোৰ জিলাত শিল, মাটি, গছ-গছনি আদিৰে ভৰা ওখ ঠাই আছে— এইবোৰ পাহাৰ।
- জিলাখনৰ চৰকাৰী কাম-কাজ চলাবলৈ যি ঠাইত জিলাধিপতিৰ কাৰ্যালয় থাকে সেই ঠাইখনেই জিলাৰ সদৰ ঠাই। জিলাধিপতিক উপায়ুক্ত বুলিও কয়।

আমাৰ ৰাজ্যখনক প্ৰশাসনৰ সুবিধাৰ কাৰণে তেত্ৰিশখন জিলাত ভাগ কৰা হৈছে। প্ৰতি জিলাতে একোখন সদৰ ঠাই আছে। সেইদৰে প্ৰতিখন জিলাক আকৌ এটা বা তাতকৈ অধিক মহকুমাত ভাগ কৰা হৈছে। বৰ্তমান অসমত আশীটা মহকুমা আছে। প্ৰতিটো মহকুমাৰ একোখনকৈ সদৰ ঠাই আছে।

## শিক্ষক-শিক্ষয়িত্ৰীলৈ নিৰ্দেশনা

*তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে পাঠ্যক্ৰমত নিজৰ জিলাখনৰ অধ্যয়ন অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰতিখন জিলাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নিজৰ জিলাৰ মানচিত্ৰসহ বিতং তথ্য সন্নিৱিষ্ট কৰা অসুবিধাজনক। পাঠ্যপুথিৰ কলেবৰৰ প্ৰতি লক্ষ্য ৰাখি সেয়েহে পাঠটিত জিলাবোৰৰ বিশেষ কিছুমান তথ্যহে পিছৰ পৃষ্ঠাসমূহত সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীয়ে জানিবলগীয়া আৰু কিছুমান জিলাভিত্তিক তথ্য আছে, যিবোৰ ইয়াত সন্নিৱিষ্ট কৰিব পৰা হোৱা নাই। সেইবোৰ হ'ল—*

- *জিলাখনৰ নামটো কেনেকৈ হ'ল।*
- *জিলাখনৰ চাৰিসীমা, প্ৰধান আলিবাট আৰু ৰে'লপথ।*
- *বুৰঞ্জী প্ৰসিদ্ধ ঘটনা, বিল, পুখুৰী, বনাঞ্চল, পাহাৰ আদি।*
- *উল্লেখযোগ্য ধৰ্মানুষ্ঠান, শিক্ষানুষ্ঠান, প্ৰাচীন কীৰ্তি চিহ্ন।*
- *জিলাখনৰ বিভিন্ন ভাষা-ভাষী গোষ্ঠীসমূহৰ নাম, সাজ-পোছাক, পালন কৰা উৎসৱ ইত্যাদি।*
- *জিলাখনৰ উল্লেখযোগ্য ব্যক্তিৰ নাম আৰু সমাজলৈ তেওঁলোকৰ অৱিহণা।*

শিক্ষক-শিক্ষয়িত্ৰীসকলে পাঠ্যপুথিত দিয়া তথ্যবোৰৰ উপৰি নিজৰ নিজৰ জিলাৰ বাবে তথ্য সংগ্ৰহ কৰি ওপৰত উল্লেখ কৰা শিৰোনামা অনুসাৰে একোটা টোকা প্ৰস্তুত কৰিব। সংগৃহীত তথ্যসমূহ নিজ জিলাৰ মানচিত্ৰ এখন অংকন কৰি তাত সন্নিৱিষ্ট কৰি ল'ব।

*পাঠদানৰ সময়ত ছাত্ৰ-ছাত্ৰীক মানচিত্ৰ অধ্যয়ন কৰি শিকাৰ সুবিধা দিয়াৰ লগতে জিলাখনৰ মানচিত্ৰ অংকনৰ কৌশলো আয়ত্ত কৰাব।*



➤ সিপিঠিত দিয়া তালিকাৰ পৰা নিজৰ জিলাৰ সদৰ ঠাই, মহকুমা, প্ৰধান ঠাই, নৈ, উপনৈ, প্ৰধান শস্য, যাতায়াত ব্যৱস্থা, উদ্যোগ আদিৰ বিষয়ে জানি লোৱা।

অসম ৰাজ্যৰ জিলাসমূহৰ বিৱৰণ তলৰ তালিকাত চোৱা। তলত আঁচ টানি জিলাৰ সদৰ ঠাইখন দেখুওৱা হৈছে।

| ক্ৰমিক নং | জিলাৰ নাম, সদৰ ঠাই আৰু প্ৰধান ঠাইসমূহ | মহকুমা | নৈ-উপনৈ | প্ৰধান শস্য | যাতায়াত ব্যৱস্থা | প্ৰধান শিল্প উদ্যোগ |
|---|---|---|---|---|---|---|
| ১। | তিনিচুকীয়া<br>তিনিচুকীয়া<br>তিনিচুকীয়া, ডিগবৈ, মাৰ্ঘেৰিটা, ডুমডুমা, চেপাখোৱা, , লিডু, চৈখোৱাঘাট | তিনিচুকীয়া, মাৰ্ঘেৰিটা, শদিয়া | ব্ৰহ্মপুত্ৰ, দিবং,লোহিত, ডাঙৰী, ডিব্ৰু, বুঢ়ীদিহিং,ডুমডুমা, কুণ্ডিল | চাহ, ধান, মাহ, সৰিয়হ, সুমথিৰা, আদা, তামোল-পাণ | ৰে'লপথ, আলিবাট, জলপথ | চাহপাত, কয়লা উত্তোলন (Coal mining), প্লাইউদ, মমবাতি, প্ৰাকৃতিক গেছ সংগ্ৰহ, তেল পৰিশোধন |
| ২। | ডিব্ৰুগড়<br>ডিব্ৰুগড়<br>ডিব্ৰুগড়, নামৰূপ, দুলীয়াজান, মৰাণ, নাহৰকটীয়া, চাবুৱা | ডিব্ৰুগড়, মৰাণ, নাহৰকটীয়া | ব্ৰহ্মপুত্ৰ, ডিব্ৰু, চেঁচা, বুঢ়ীদিহিং ন-দিহিং, লুইত | ধান, মাহ, সৰিয়হ, চাহ, তামোল-পাণ, কুঁহিয়াৰ | ৰে'লপথ, আলিবাট, বিমানপথ, জলপথ, | চাহপাত, প্লাইউদ, ৰে'ল মেৰামতি, প্ৰাকৃতিক গেছ সংগ্ৰহ, কয়লা, গেছ ক্ৰেকাৰ প্ৰকল্প |
| ৩। | লখিমপুৰ<br>উত্তৰ লখিমপুৰ<br>উত্তৰ লখিমপুৰ, হাৰমতী, নাৰায়ণপুৰ, বিহপুৰীয়া, ঢকুৱাখনা, পানীগাঁও, লালুক,বান্দৰদেৱা | উত্তৰ লখিমপুৰ, ঢকুৱাখনা, বিহপুৰীয়া-নাৰায়ণপুৰ | ব্ৰহ্মপুত্ৰ, কড়া, সোৱণশিৰি, ৰঙানৈ, ডিক্ৰং, চাৰিকৰীয়া, ধূনা, ঢল, ঘাগৰ | ধান, মাহ, সৰিয়হ, কুঁহিয়াৰ, চাহ, তামোল-পাণ, মৰাপাট | ৰে'লপথ, আলিবাট, জলপথ, বিমানপথ | চাহপাত, এৰী, মুগা |
| ৪। | ধেমাজি<br>ধেমাজি<br>ধেমাজি, জোনাই, বৰদলনি, চিলাপথাৰ, লিকাবালি, গোগামুখ | ধেমাজি, জোনাই | ব্ৰহ্মপুত্ৰ, দিকাৰী, চিমেন, টাঙনী, গাই নৈ, জীয়াঢল, সোৱণশিৰি | ধান, মাহ, সৰিয়হ, কুঁহিয়াৰ, তামোল-পাণ; আলু | ৰে'লপথ, আলিবাট, জলপথ | এৰী, মুগা |
| ৫। | শিৱসাগৰ<br>শিৱসাগৰ<br>শিৱসাগৰ, নাজিৰা, চাৰিং, আমগুৰি | শিৱসাগৰ, নাজিৰা | ব্ৰহ্মপুত্ৰ, ডিমৌ, দিচাং, দিখৌ, জাঁজী, নামদাং, বুঢ়ীদিহিং, দৰিকা | ধান, চাহ, মাহ, সৰিয়হ, কুঁহিয়াৰ, তামোল-পাণ | ৰে'লপথ, আলিবাট, জলপথ | তেল উত্তোলন, প্ৰাকৃতিক গেছ সংগ্ৰহ, চাহপাত, এৰী, মুগা |
| ৬। | যোৰহাট<br>যোৰহাট<br>যোৰহাট, মৰিয়নী, তিতাবৰ, টীয়ক, নিমাতী | যোৰহাট, তিতাবৰ | ব্ৰহ্মপুত্ৰ, টীয়ক, দিচৈ-ভোগদৈ, গেলাবিল,জাঁজী, কাকডোঙা | ধান, চাহ, মাহ, সৰিয়হ, কুঁহিয়াৰ | ৰে'লপথ, আলিবাট, জলপথ, বিমানপথ | চাহ, প্লাইউদ, তেল উত্তোলন, এৰী, মুগা, ৰেচম |

| ক্ৰমিক নং | জিলাৰ নাম, সদৰ ঠাই আৰু প্ৰধান ঠাইসমূহ | মহকুমা | নৈ-উপনৈ | প্ৰধান শস্য | যাতায়াত ব্যৱস্থা | প্ৰধান শিল্প উদ্যোগ |
|---|---|---|---|---|---|---|
| ৭। | গোলাঘাট<br>গোলাঘাট<br>গোলাঘাট, দেৰগাঁও, বৰুৱাবামুণ গাঁও, সৰুপথাৰ, বোকাখাত, ফৰকাটিং, নুমলীগড় | গোলাঘাট, ধনশিৰি, বোকাখাত, মেৰাপানী | ব্ৰহ্মপুত্ৰ, কাকডোঙা, ধনশিৰি, ঘিলাধাৰী, দৈয়াং, ডিফলু, ৰেংমা, গেলাবিল | ধান, চাহ, মাহ, সৰিয়হ, কুঁহিয়াৰ, শাক-পাচলি, তামোল-পাণ | ৰে'লপথ, আলিবাট, জলপথ | চাহপাত, প্লাইউদ, এৰী, মুগা, চেনি, তেল পৰিশোধন |
| ৮। | শোণিতপুৰ<br>তেজপুৰ<br>তেজপুৰ, ঢেকীয়াজুলি, মিছামাৰী, চাৰিদুৱাৰ, জামুগুৰি, চতিয়া, ৰঙাপাৰা | তেজপুৰ, ঢেকীয়াজুলি | ব্ৰহ্মপুত্ৰ, দিকৰাই, জীয়াভৰলী, গাভৰু, বেলশিৰি | ধান, চাহ, মাহ, সৰিয়হ, মৰাপাট, কুঁহিয়াৰ, তামোল-পাণ | ৰে'লপথ, আলিবাট, জলপথ, বিমানপথ | চাহপাত, কপাহী সূতা মৰাপাট |
| ৯। | দৰং<br>মঙলদৈ<br>মঙলদৈ, ছিপাঝাৰ, পাথৰিঘাট, খাৰুপেটীয়া, দলগাঁও, দেওমৰনৈ, দুনী, দুমুনীচকী, দিপীলা | মঙলদৈ | ব্ৰহ্মপুত্ৰ, বৰনদী, ননৈ, নোৱানৈ, মঙলদৈ, মৰা ধনশিৰি, জীয়া ধনশিৰি | ধান, মাহ, মৰাপাট, সৰিয়হ, শাক-পাচলি, চাহ, তামোল-পাণ | আলিবাট, জলপথ | বাঁহ-বেতৰ সঁজুলি, ৰাসায়নিক সূতা, চাহপাত |
| ১০। | ওদালগুৰি<br>ওদালগুৰি<br>ওদালগুৰি, ভৈৰৱকুণ্ড, ৰৌতা, পানেৰী, টংলা, খৈৰাবাৰী, কলাইগাঁও,ওৰাং | ওদালগুৰি, ভেৰগাঁও | বৰনৈ, ননৈ, নোৱানৈ, জীয়া ধনশিৰি, মৰা ধনশিৰি | ধান, চাহ, সৰিয়হ, কুঁহিয়াৰ, সুমথিৰা, শাক-পাচলি | ৰে'লপথ, আলিবাট | চাহপাত, বাঁহ-বেতৰ সঁজুলি, হস্ত-তাঁত শিল্প |
| ১১। | নগাঁও<br>নগাঁও<br>নগাঁও, শিলঘাট, ৰহা, জখলাবন্ধা, ৰূপহী, ধিং, চাপৰমুখ, কামপুৰ, কলিয়াবৰ, পুৰণিগুদাম, বৰদোৱা | নগাঁও, কলিয়াবৰ | ব্ৰহ্মপুত্ৰ, কপিলী, ননৈ, কলং | ধান, কুঁহিয়াৰ, মৰাপাট, সৰিয়হ, মাহ, চাহ, শাক-পাচলি, তামোল-পাণ | ৰে'লপথ, আলিবাট, জলপথ | চাহপাত, মৰাপাট, চেনি, মৃৎশিল্প |

| ক্ৰমিক নং | জিলাৰ নাম, সদৰ ঠাই আৰু প্ৰধান ঠাইসমূহ | মহকুমা | নৈ-উপনৈ | প্ৰধান শস্য | যাতায়াত ব্যৱস্থা | প্ৰধান শিল্প উদ্যোগ |
|---|---|---|---|---|---|---|
| ১২। | **মৰিগাঁও**<br>মৰিগাঁও<br>মৰিগাঁও, জাগীৰোড, ধৰমতুল, লাহৰীঘাট, মৈৰাবাৰী,জাগীভকতগাঁও | মৰিগাঁও | ব্ৰহ্মপুত্ৰ, কলং, কপিলী, কিলিং, সোনাই, পকৰীয়া | ধান, চাহ, মাহ, মৰাপাট, কুঁহিয়াৰ, সৰিয়হ, তামোল-পাণ | ৰে'লপথ, আলিবাট, জলপথ | কাগজ, শুকান মাছ, মৃৎশিল্প, পাট |
| ১৩। | **কামৰূপ (মহানগৰ)**<br>গুৱাহাটী<br>গুৱাহাটী, উত্তৰ গুৱাহাটী, আমিনগাঁও, বৰঝাৰ, জালুকবাৰী, বশিষ্ঠ, ক্ষেত্ৰী, দিছপুৰ, নাৰেংগী, চন্দ্ৰপুৰ, সোণাপুৰ, যোৰাবাট | গুৱাহাটী, দিছপুৰ, চন্দ্ৰপুৰ, সোণাপুৰ | ব্ৰহ্মপুত্ৰ, বশিষ্ঠ , ভৰলু, বাহিনী, ডিগাৰু | ধান, সৰিয়হ, তিল, শাক-পাচলি, নাৰিকল, তামোল-পাণ, সুমথিৰা, আনাৰস | ৰে'লপথ, আলিবাট, জলপথ, বিমানপথ | তেল শোধনাগাৰ, প্লাষ্টিকৰ সামগ্ৰী, লোৰে নিৰ্মিত সঁজুলি, চাবোন ইত্যাদি |
| ১৪। | **কামৰূপ**<br>আমিনগাঁও<br>বাইহাটা চাৰিআলি,ৰঙিয়া, হাজো, শুৱালকুছি, বকো, মিৰ্জা, পলাশবাৰী, ছয়গাঁও, বিজয়নগৰ, নগৰবেৰা | কামৰূপ, ৰঙিয়া, আজাৰা, দক্ষিণ কামৰূপ | ব্ৰহ্মপুত্ৰ, পুঠিমাৰী, বৰলীয়া, কুলসী, বকো, শিংৰা | ধান, মাহ, সৰিয়হ, তিল, ফল-মূল নাৰিকল, তামোল- পাণ | ৰে'লপথ, আলিবাট, জলপথ | পিতলৰ বাচন, পাট -মুগাৰ বস্ত্ৰ, হস্ত-তাঁত শিল্প |
| ১৫। | **নলবাৰী**<br>নলবাৰী<br>নলবাৰী, ধমধমা, চামতা, টিহু, বেলশৰ, ঘগ্ৰাপাৰ, কৈঠালকুছি, বিজুলীঘাট, মুকালমুৱা, ৰামপুৰ | নলবাৰী, টিহু, মুকালমুৱা | ব্ৰহ্মপুত্ৰ, বৰলীয়া, পাগলাদিয়া, বুঢ়াদিয়া, মৰা পাগলাদিয়া, টিহু | ধান, মাহ, সৰিয়হ, কুঁহিয়াৰ, নাৰিকল, তামোল-পাণ, শাক-পাচলি | ৰে'লপথ, আলিবাট, জলপথ | বাঁহ-বেতৰ সঁজুলি, হস্ত-তাঁত শিল্প |
| ১৬। | **বৰপেটা**<br>বৰপেটা<br>বৰপেটা, বৰপেটাৰোড, সুন্দৰীদিয়া, পাটবাউসী, মন্দিয়া, বাঘবৰ, বহৰী, দৌলাশাল, চেঙা, সৰ্থেবাৰী, জনিয়া, সৰভোগ, হাউলী, ভৱানীপুৰ, পাঠশালা | বৰপেটা, বজালী, সৰভোগ, কলগাছিয়া, সৰুক্ষেত্ৰী | ব্ৰহ্মপুত্ৰ, কালদিয়া, পহুমৰা, পল্লা, বেঁকী, নখন্দা | ধান, মাহ, মৰাপাট, সৰিয়হ, তামোল-পাণ, শাক-পাচলি | ৰে'লপথ, আলিবাট, জলপথ | কাঁহৰ বাচন-বৰ্তন, হাতীদাঁতৰ সামগ্ৰী, সৰিয়হৰ তেল, চুপাৰী-উদ্যোগ |

| ক্রমিক নং | জিলাৰ নাম, সদৰ ঠাই আৰু প্ৰধান ঠাইসমূহ | মহকুমা | নৈ-উপনৈ | প্ৰধান শস্য | যাতায়াত ব্যৱস্থা | প্ৰধান শিল্প উদ্যোগ |
|---|---|---|---|---|---|---|
| ১৭। | বাক্‌সা<br>মুছলপুৰ<br>মুছলপুৰ, তামোলপুৰ, কুমাৰীকাটা, নাগ্ৰীজুলী, গোৰেশ্বৰ, নিকাচী, সুৱনখাটা, বৰমা, জালাহ, অঞ্চলি, শালবাৰী | শালবাৰী, মুছলপুৰ, তামুলপুৰ | বেঁকী, পহুমৰা, টিহু, মৰা পাগলাদিয়া, বুঢ়াদিয়া, পাগলাদিয়া, বৰলীয়া, পুঠিমাৰী, বৰনদী | ধান, মাহ, সৰিয়হ, কুঁহিয়াৰ, নাৰিকল, কচু তামোল-পাণ, শাক-পাচলি | ৰে'লপথ, আলিবাট, জলপথ | বাঁহ-বেতৰ সঁজুলি, হস্ত-তাঁত শিল্প |
| ১৮। | বঙাইগাঁও<br>বঙাইগাঁও<br>বঙাইগাঁও, উত্তৰ শালমাৰা, যোগীঘোপা, অভয়াপুৰী, বৈটামাৰী, মাজগাঁও, কোকিলা, ছাপ্ৰাকাটা | বঙাইগাঁও, মাণিকপুৰ, উত্তৰ শালমাৰা | ব্ৰহ্মপুত্ৰ, মানাহ, চম্পাৱতী | ধান, সৰিয়হ, শাক-পাচলি, তামোল-পাণ | ৰে'লপথ, আলিবাট, জলপথ | এলুমিনিয়ামৰ সাজ-বাচন, লোহাৰ সামগ্ৰী নিৰ্মাণ, ৰে'ল মেৰামতি |
| ১৯। | চিৰাং<br>কাজলগাঁও<br>কাজলগাঁও, ঢালিগাঁও, চাপাগুড়ী, চিদলী, বিজনী, পানবাৰী, ডাংতল | কাজলগাঁও, বিজনী | চম্পাৱতী, আই, মানাহ | ধান, সৰিয়হ, শাক-পাচলি, তামোল-পাণ | ৰে'লপথ, আলিবাট, জলপথ | তেল শোধনাগাৰ, হস্ত-তাঁত শিল্প |
| ২০। | গোৱালপাৰা<br>গোৱালপাৰা<br>গোৱালপাৰা, মৰনৈ, কৃষ্ণাই, ৰংজুলি, আগিয়া, দুধনৈ, ধূপধৰা, পঞ্চৰত্ন, দলগোমা, লক্ষীপুৰ | গোৱালপাৰা, লক্ষীপুৰ | ব্ৰহ্মপুত্ৰ, দুধনৈ, কৃষ্ণাই, জিনাৰি, জিঞ্জিৰাম, দেওশিলা | ধান, মাহ, মৰাপাট, সৰিয়হ, কল, মাটিকঁঠাল, সুমথিৰা, তামোল-পাণ, শাক-পাচলি | ৰে'লপথ, আলিবাট, জলপথ | মৃৎশিল্প, কাঠৰ নিৰ্মাণ সামগ্ৰী, বাঁহ-বেতৰ সামগ্ৰী |
| ২১। | কোকৰাঝাৰ<br>কোকৰাঝাৰ<br>কোকৰাঝাৰ, কচুগাঁও, গোসাঁইগাঁও,ফকিৰাগ্ৰাম, দেৱীতলা, কাজিগাঁও শ্ৰীৰামপুৰ, টিপ্‌কাই দোতমা, চালাকাটি | কোকৰাঝাৰ, গোসাঁইগাঁও, পৰ্বতজৰা | গৌৰাংগ, সৰলভাঙা, সোণকোষ, হেল, তৰাং, গদাধৰ, চম্পামতী | ধান, মাহ, সৰিয়হ, তিল, মৰাপাট, সুমথিৰা, তামোল-পাণ | ৰে'লপথ, আলিবাট, জলপথ | তাপবিদ্যুৎ উৎপাদন, প্লাইউদ, বাঁহ-বেতৰ সঁজুলি, কাঠৰ নিৰ্মাণ সামগ্ৰী |

| ক্ৰমিক নং | জিলাৰ নাম, সদৰ ঠাই আৰু প্ৰধান ঠাইসমূহ | মহকুমা | নৈ-উপনৈ | প্ৰধান শস্য | যাতায়াত ব্যৱস্থা | প্ৰধান শিল্প উদ্যোগ |
|---|---|---|---|---|---|---|
| ২২। | ধুবুৰী<br>ধুবুৰী<br>ধুবুৰী, গৌৰীপুৰ, গোলকগঞ্জ, লালমাটি, ছাপটগ্ৰাম, বিলাসীপাৰা, আনন্দনগৰ, চাপৰ | ধুবুৰী, বিলাসীপাৰা | ব্ৰহ্মপুত্ৰ , সৰলভাঙা, সোণকোষ, গৌৰাংগ, গদাধৰ | ধান, মৰাপাট, সৰিয়হ, কুঁহিয়াৰ, মাহ, কপাহ, শাক-পাচলি | ৰে'লপথ, আলিবাট, জলপথ | জুইশলা, মাটিৰ বাচন-বৰ্তন, পুতলা |
| ২৩। | কাৰ্বি আংলং (পূব)<br>ডিফু<br>ডিফু, বোকাজান, মাঞ্জা, হাওৰাঘাট, ডকমকা | ডিফু, বোকাজান, হাওৰাঘাট | ধনশিৰি, ডিফু, নামবৰ, কলিয়নী, যমুনা, দিখাৰু | কপাহ, তিল, ৰবৰ, সৰিয়হ, জলকীয়া, আলু, কচু, ধান, আদা, সুমথিৰা, গোমধান, তামোল-পাণ | ৰে'লপথ, আলিবাট | বাঁহ-বেতৰ সঁজুলি, চিমেণ্ট কাৰখানা, কয়লা আৰু চুণশিল উত্তোলন |
| ২৪। | ডিমা হাছাও<br>হাফলং<br>হাফলং, মাইবং, মাহুৰ, জাটিংগা, উমাৰাংছু, গৰম পানী | হাফলং, মাইবং, দিয়ুংব্ৰা | কপিলী, দিয়ুং লাংটিং, জাটিংগা, জিৰি, জিনাম, লংক্ৰি | আলু, কচু, আদা, জলকীয়া, কপাহ, মাটিকঁঠাল, ৰবৰ, অমিতা,সুমথিৰা, গোমধান বা মাকৈ, তামোল-পাণ | ৰে'লপথ, আলিবাট | ক্ষুদ্ৰ চিমেণ্ট কাৰখানা, ফল-মূল সংৰক্ষণ, চুণশিল উত্তোলন, জলবিদ্যুৎ |
| ২৫। | কাছাৰ<br>শিলচৰ<br>শিলচৰ, উদাৰবন্দ, লক্ষীপুৰ, খাছপুৰ, কালাইন | শিলচৰ, লক্ষীপুৰ, কাটিগড়া, সোণাই | বৰাক, জিৰি, ছিৰি, জাটিংগা, মধুৰা, ৰুকনী, বালিচেৰা, সোণাই | ধান, চাহ, মাহ, মৰাপাট, সৰিয়হ, কুঁহিয়াৰ | ৰে'লপথ, আলিবাট, বিমানপথ জলপথ | চাহপাত, প্লাইউদ, বাঁহ-বেতৰ সামগ্ৰী, পাটী |
| ২৬। | হাইলাকান্দি<br>হাইলাকান্দি<br>হাইলাকান্দি, লালা, আলগাপুৰ, পাঁচগ্ৰাম | হাইলাকান্দি, কাটলিচেৰা | বৰাক, ধলেশ্বৰী, কাটাখাল | ধান, মাহ, মৰাপাট, কুঁহিয়াৰ, চাহ, তামোল-পাণ | ৰে'লপথ, আলিবাট, জলপথ | কাগজ, বাঁহ-বেতৰ সঁজুলি, চাহপাত |
| ২৭। | কৰিমগঞ্জ<br>কৰিমগঞ্জ<br>কৰিমগঞ্জ, চাৰগোলা, বদৰপুৰ, ৰামকৃষ্ণ নগৰ, কালিগঞ্জ, পাথাৰকান্দি | কৰিমগঞ্জ, ৰামকৃষ্ণ-নগৰ, পাথাৰকান্দি | বৰাক, সোণাই, কুশিয়াৰা, লংগাই, চিংলা | ধান, মাহ, মৰাপাট, কুঁহিয়াৰ, তামোল-পাণ | ৰে'লপথ, আলিবাট, জলপথ | চেনি, বাঁহ-বেতৰ সঁজুলি, মাটিৰ সাজ-বাচন |

| ক্ৰমিক নং | জিলাৰ নাম, সদৰ ঠাই আৰু প্ৰধান ঠাইসমূহ | মহকুমা | নৈ-উপনৈ | প্ৰধান শস্য | যাতায়াত ব্যৱস্থা | প্ৰধান শিল্প উদ্যোগ |
|---|---|---|---|---|---|---|
| ২৮ | বিশ্বনাথ<br>বিশ্বনাথ চাৰিআলি<br>বিশ্বনাথ, গহপুৰ, হেলেম, বিহালী, হাৰাজান, চতিয়া, কলাবাৰী, লোহিতমুখ | গহপুৰ, বিশ্বনাথ | ব্ৰহ্মপুত্ৰ, বুৰৈ, বৰগাং, দিকৰাই, ঘিলাধাৰী, বুঢ়ীগাং, বালিজান | ধান, চাহ, কুঁহিয়াৰ, | ৰে'লপথ, আলিবাট | চাহপাত, মৃৎশিল্প, কাঁহ-পিতল |
| ২৯। | চৰাইদেউ<br>সোণাৰি<br>চৰাইদেউ, সোণাৰি লাকুৱা সাপেখাতী, মৰাণ, টিয়ক | চৰাইদেউ | দিচাং, টিফুক, টিয়ক, চাফ্ৰাই, দিৰৈ, দৰিকা | ধান, সৰিয়হ, চাহ, তামোল-পাণ | ৰে'লপথ, আলিবাট, জলপথ | চাহপাত |
| ৩০। | হোজাই<br>হোজাই<br>লামডিং, লংকা, হোজাই, নীলবাগান, যমুনামুখ, ডবকা | হোজাই | কপিলী, যমুনা, ডিক্ৰিং, লংকাজান, লাংফেৰ | ধান, শাক-পাচলি, মৰাপাট | ৰে'লপথ, আলিবাট | হস্ত-তাঁত শিল্প |
| ৩১। | মাজুলী<br>গড়মূৰ<br>গড়মূৰ, কমলাবাৰী, দক্ষিণপাট, আউনিআটি, জেংৰাইমুখ | মাজুলী | ব্ৰহ্মপুত্ৰ, টুনী, সোৱণশিৰি | ধান, সৰিয়হ | আলিবাট, জলপথ | হস্ত-তাঁত শিল্প |
| ৩২। | দক্ষিণ শালমাৰা-মানকাচৰ<br>হাটশিঙিমাৰি<br>সুখচৰ, মানকাচৰ, দক্ষিণ শালমাৰা, ফকিৰগঞ্জ | দক্ষিণ শালমাৰা | ব্ৰহ্মপুত্ৰ, জিঞ্জিৰাম, কালনদী | ধান, সৰিয়হ, মৰাপাট, ঘেঁহু, কুঁহিয়াৰ | আলিবাট, জলপথ | বাঁহ-বেতৰ সঁজুলি |
| ৩৩। | পশ্চিম কাৰ্বি আংলং<br>হামৰেণ<br>বৈঠালাংচু, হামৰেণ, ডংকামোকাম, খেৰণি | হামৰেণ | কপিলী, বৰাপানী, কিলিং, আমৰিং, উমিয়াম | আলু, কচু, ধান, সৰিয়হ | আলিবাট, | বাঁহ-বেতৰ সঁজুলি |

## অনুশীলনী

১) উত্তৰ লিখা—

(ক) তোমাৰ জিলাখনৰ নাম কি?

(খ) তোমাৰ জিলাখনৰ গাতে লাগি থকা জিলা কেইখনৰ নাম লিখা।

(গ) তোমাৰ জিলাৰ মাজেৰে কি কি নৈ, উপ নৈ বৈ গৈছে তালিকা প্ৰস্তুত কৰা।

(ঘ) তোমাৰ জিলাৰ সীমাত আন কোনো ৰাজ্য আছে নেকি? যদি আছে নাম লিখা।

(ঙ) তোমাৰ জিলাৰ সীমাত আন বিদেশী ৰাষ্ট্ৰ বা দেশ আছে নেকি? যদি আছে লিখা।

২) দলগতভাৱে আলোচনা কৰি নিজৰ জিলাৰ কথাখিনি লিখা—(শিক্ষক-শিক্ষয়িত্ৰীৰ সহায়ত কৰিবা)

(ক) জিলাখনৰ সদৰ ঠাইৰ নাম

(খ) মহকুমাৰ নাম

(গ) ডাঙৰ পুখুৰীৰ নাম

(ঘ) প্ৰধান বিলৰ নাম (যদি আছে)

(ঙ) সংৰক্ষিত বনাঞ্চল-অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানৰ নাম (যদি আছে)

(চ) পাহাৰৰ নাম (যদি আছে)

৩) তোমাৰ নিজৰ জিলাখনত থকা উদ্যোগসমূহত কি কি সামগ্ৰী উৎপাদিত হয়? দলগতভাৱে আলোচনা কৰি লিখা।